# ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়

## ভৱানীপুৰ ঃ বৰপেটা ঃ অসম

### <u>ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয় ছাত্ৰাৱাস / ছাত্ৰী নিৱাসৰ নিয়মাৱলী</u>

১। আৱাসীসকলে শৃঙ্খলা, নিয়মানুবৰ্তিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু মহাবিদ্যালয়ৰ সন্মান অটুত ৰখাত নিষ্ঠাৱতী হ'ব লাগিব।

২। আৱাসৰ ভিতৰে-বাহিৰে তথা চৌহদত মাৰ্জিত তথা গ্ৰহণযোগ্য পোছাক পৰিধান কৰিব লাগিব।

৩। প্ৰত্যেকগৰাকী আৱাসীয়ে ব্যক্তিগতভাৱে তেওঁলোকৰ দায়িত্বত থকা আচবাবসমূহৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব। ইচ্ছাকৃত বা অসাৱধানতাৰ বাবে হোৱা ক্ষয়-ক্ষতিসমূহ ব্যক্তিগতভাৱে পৰিশোধ কৰিব লাগিব।

৪। নিৰ্ধাৰণ কৰি দিয়া কোঠা বা আচবাব সাল-সলনি কৰিব নোৱাৰিব।

৫। নিৰ্দিষ্ট সময়ত খাদ্য গ্ৰহণ কৰিব লাগিব। পলমকৈ অহা বা অনুপস্থিত থকা সকলৰ বাবে খাদ্য কৰ্মী দায়ী নহ'ব।

৬। খাদ্য কেৱল ভোজনালয়তহে গ্ৰহণ কৰিব লাগিব। কোঠাৰ ভিতৰলৈ খাদ্য নিয়া বা পুনৰ ৰান্ধি খোৱা দোষণীয় বুলি গণ্য কৰা হ'ব।

৭। কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্দিষ্ট কৰি দিয়া সময় (বুধবাৰ, শুক্ৰবাৰ আবেলি ৪.০০ পৰা ৫.০০ আৰু ৰবিবাৰ ৰাতিপুৱা ১০.০০ পৰা ১২.০০ বজা আৰু আবেলি ৩.০০ পৰা ৪.০০ বজাৰ) বাহিৰে আৱাসীয়ে দৰ্শনাৰ্থীৰ লগত সাক্ষাৎ কৰিব নোৱাৰিব।

৮। বাহিৰলৈ যোৱাৰ পূৰ্বে নিৰ্ধাৰিত দিনত (মঙ্গলবাৰ আৰু শনিবাৰে আবেলি ৩.০০ পৰা ৫.০০ বজাৰ ভিতৰত) নিৰ্দিষ্ট উপস্থিতি বহীত বাহিৰলৈ যোৱাৰ সময়, কাৰণ, ঘূৰি অহাৰ সময় লিপিবদ্ধ কৰি চহী কৰিব লাগিব। নিয়ম ভঙ্গকাৰীসকলৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব।

৯। পানী আৰু বিজুলি শক্তি অপচয় কৰিব নোৱাৰিব।

১০। বিশেষ কাৰণত ঘৰত বা বাহিৰতো ৰাতি থকাকৈ যাব বিচৰাসকলে স্থানীয় অভিভাৱকৰ লিখিত সন্মতি দাখিল কৰি অধীক্ষকৰ পৰা অনুমতি ল'ব লাগিব।

১১। কোঠাৰ ভিতৰত অন্য বন্ধু / বান্ধৱী তথা পৰিয়াল / আত্মীয়স্বজনৰ অনুপ্ৰৱেশ সীমিত হ'ব, কাৰণ ইয়াৰ দ্বাৰা সহপাঠীসকলৰ অসুবিধা হয়।

১২। ছাত্ৰাৱাস / ছাত্ৰী নিৱাসৰ যিকোনো সমস্যা অধীক্ষক /অধ্যক্ষক নজনোৱাকৈ অন্য ব্যক্তি বা মাধ্যমত প্ৰচাৰ কাৰ্য দোষণীয় বুলি গণ্য কৰা হ'ব আৰু অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১৩। আৱাসীসকলে প্ৰতি মাহৰ নিৰ্দিষ্ট তাৰিখৰ ভিতৰত একেলগে আহাৰ গ্ৰহণ কৰাৰ মাচুল জমা দিব লাগিব। মেচ কমিটিয়ে এই ক্ষেত্ৰত প্ৰয়োজনীয় নীতি নিৰ্ধাৰণ কৰিব।

১৪। যিকোনো প্ৰকাৰৰ ৰেগিং দোষণীয় অপৰাধ আৰু এই অপৰাধৰ বাবে আইনগত ব্যৱস্থা লোৱা হ'ব।

১৫। মূল্যবান সামগ্ৰী, মোবাইল ফোন, টকা-পইচা ইত্যাদিৰ বাবে নিজে দায়িত্ব ল'ব লাগিব। চুৰি বা হেৰালে কৰ্তৃপক্ষ দায়ী নহয়।

১৬। ছাত্ৰাৱাস /ছাত্ৰী নিৱাসৰ মূল প্ৰৱেশদ্বাৰ গ্ৰীষ্মকালত (এপ্ৰিল-অক্টোবৰ) আবেলি ৬ বজাৰ পৰা ৰাতিপুৱা ৭ বজালৈ আৰু শীতকালত (নৱেম্বৰ-মাৰ্চ) আবেলি ৫ বজাৰ পৰা ৰাতিপুৱা ৭ বজালৈ বন্ধ থাকিব।

১৭। ছাত্ৰাৱাস / ছাত্ৰী নিৱাসত আৱাসীৰ উপস্থিতি এক তৃতীয়াংশতকৈ কম থাকিলে বা এসপ্তাহতকৈ দীঘলীয়া বন্ধত নিৱাসৰ ভোজনালয় বন্ধ থাকিব।

১৮। সম্পূৰ্ণ ১২ (বাৰ) মাহৰ নিৰ্ধাৰিত আসন ভাড়া (Seat Rent) নামভৰ্তিৰ সময়তে দিব লাগিব।

১৯। আবেলি ৭ বজাত সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠানত প্ৰত্যেকগৰাকী আৱাসীৰ অংশগ্ৰহণ বাধ্যতামূলক।

২০। প্ৰয়োজন সাপেক্ষে উল্লিখিত নিয়মসমূহৰ সংযোজন আৰু সংশোধন কৰাৰ কৰ্তৃত্ব মহাবিদ্যালয় / নিৱাস কৰ্তৃপক্ষৰ ওপৰত ন্যস্ত থাকিব।

অধীক্ষক

ছাত্ৰাৱাস / ছাত্ৰী নিৱাস, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়

ফোনঃ ৯৪৩৫০২৪৩৭৮